**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-SEP-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ নেতৃত্বত ন্যায়িক সমিতি গঠন কৰিবলৈ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশলৈ মুখ্যমন্ত্ৰীৰ পত্ৰ প্ৰেৰণ।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে পত্নী গৰিমা শইকীয়া গাৰ্গকে ধৰি পৰিয়ালৰ সদস্যৰ চি আই ডিক এজাহাৰ দাখিল।

৩। উজনি অসমৰ তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউ জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ অহা ১ অক্টোবৰৰ পৰা আৰু ছমাহলৈ বৃদ্ধি।

৪। শাৰদীয় দুৰ্গা পূজাৰ আজি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠা।

*আৰু*

৫। এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক জনতাৰ ধৈৰ্যৰ সৈতে নেখেলিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে এই ঘটনা সন্দৰ্ভত অভিযোগ উঠা শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক ৬ অক্টোবৰৰ ভিতৰত অসমত উপস্থিত হ'বলৈ নিৰ্দেশ দিয়ে। এই ঘটনাৰ ন্যায় বিচাৰ নোহোৱালৈ অসম চৰকাৰ ক্ষান্ত নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাইজক আইন হাতত তুলি নলবলৈ অনুৰোধ জনায়। তদুপৰি উৰাবাতৰিত পতিয়ন নাযাবলৈ মুখ্যমন্ত্ৰীয়ে সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে এই ঘটনাৰ নিৰপেক্ষ তদন্তৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ত এজন ন্যায়াধীশৰ নেতৃত্বত এখন ন্যায়িক সমিতি গঠন কৰাৰ বাবে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশলৈ পত্ৰ প্ৰেৰণ কৰিছে বুলি জানিবলৈ দিয়ে। এই সমিতিখনে তদন্ত প্ৰক্ৰিয়া চালি-জাৰি চাব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

উল্লেখযোগ্য যে দুয়োগৰাকী অভিযুক্তৰ বিৰুদ্ধে অসম আৰক্ষীয়ে লুকআউট ন'টিছ্ জাৰি কৰিছে। দুয়োজন অভিযুক্তই কোনো কাৰণতে যাতে ভাৰত এৰি যাব নোৱাৰে তাৰ বাবে ইণ্টাৰপলৰ জৰিয়তে অসম আৰক্ষীয়ে এই জাননী জাৰি কৰিছে। মুখ্যমন্ত্ৰীয়ে এই ঘটনাৰ তদন্ত যথেষ্ট আগবঢ়া বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি কয়, যে ৰাজ্য চৰকাৰে ছিংগাপুৰত থকা ভাৰতৰ ৰাষ্ট্ৰদূতৰ জৰিয়তে ৮ জন প্ৰবাসী অসমীয়ালৈও জাননী জাৰি কৰিছে। অহা ৬ অক্টোবৰৰ ভিতৰত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ লগতে আটাইকেইজনকে চি আই ডিৰ ওচৰত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ কয়। ইপিনে, জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত বিচাৰি তেওঁৰ সহধৰ্মিনী গৰিমা শইকীয়া গাৰ্গসহ পৰিয়ালৰ তিনিগৰাকী সদস্যই কালি এজাহাৰ দাখিল কৰে। ই-মেইলযোগে চি আই ডিলৈ প্ৰেৰণ কৰা এজাহাৰখনত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ উদ্যোক্তা শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ লগতে ছিংগাপুৰত দুৰ্ঘটনা হোৱাৰ সময়ত শিল্পীগৰাকীৰ লগত থকা সকলোৰে নাম এজাহাৰখনত উল্লেখ কৰা হৈছে।

০০০০০০

উজনি অসমৰ তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউ জিলাত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ অহা ১ অক্টোবৰৰ পৰা আৰু ছমাহলৈ বৃদ্ধি কৰা হৈছে। ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও কোনো কোনো অঞ্চলত উগ্ৰপন্থীয়ে কূটাঘাতমূলক কাৰ্যকলাপ সংঘটিত কৰাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে যোৱা দুই ছেপ্তেম্বৰত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ত এই সন্দৰ্ভত এটা প্ৰস্তাৱ দিছিল। ইয়াৰ আগেয়ে গৃহ মন্ত্ৰালয়ে ৩০ ছেপ্তেম্বৰ পৰ্যন্ত এই জিলা তিনিখনক সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ অধীনত অশান্ত অঞ্চল হিচাপে ঘোষণা কৰিছিল।

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গ আৰু তেওঁৰ সৃষ্টিৰাজিক নৱপ্ৰজন্মৰ মাজত পৰিচয় কৰি দিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে শিল্পীগৰাকীৰ জীৱনী বিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হ'ব বুলি ঘোষণা কৰিছে। অসম বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনে কালি শিল্পীগৰাকীৰ কাহিলিপাৰাস্থিত বাসগৃহৰ পৰা এই কথা ঘোষণা কৰে। এই অনুসৰি জুবিন গাৰ্গৰ জীৱনী ১৪ টা প্ৰধান আধুনিক ভাৰতীয় ভাষাৰ পাঠ্যক্ৰমত সন্নিবিষ্ট হ'ব বুলি শ্ৰী জৈনে প্ৰকাশ কৰিছে।

০০০০০০

শাৰদীয় দুৰ্গা পূজাৰ আজি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হ'ব। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। অৱশ্যে অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাজ্যবাসীৰ শাৰদীয় পূজাৰ উৎসাহ স্তিমিত হৈ আছে। প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত ৰাজ্যখন শোকাছন্ন হৈ থকাৰ মাজতে জনসাধাৰণে পৰম্পৰাগত ৰীতি-নীতিৰে দুৰ্গতিনাশিনী দুৰ্গাৰ আশীষ বিচাৰি আৰাধনা কৰিবলৈ সাজু হৈছে। ইতিহাসপ্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথমদিনাৰে পৰা আড়ম্বৰহীনভাৱে যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই উপলক্ষে দিয়া বাৰ্তাত প্ৰতিকূল পৰিৱেশৰ মাজতো ৰাজ্যৰ জনসাধাৰণ দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে সাজু হৈছে বুলি উল্লেখ কৰি সমাজখনত শান্তি স্থাপনৰ বাবে দেৱীৰ আশীষ বিচাৰে। তেওঁ শাৰদীয় পূজাৰ ক্ষণত ৰাজ্যৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে।

বাইট (চি এম)

ইপিনে, **গুৱাহাটী** মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে পাঁচ শতাধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে। শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি বিভিন্ন ইতিহাস প্ৰসিদ্ধ স্থানসমূহত পূজা উপলক্ষে পবিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। **শিৱসাগৰ** জিলাতো পূজা মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই তোলাৰ লগতে শক্তিৰূপা দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে জনসাধাৰণ সাজু হৈছে। **ধুবুৰী** জিলাত আজিৰেপৰা শাৰদীয় পূজা উপলক্ষে জনসাধাৰণে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আজি পুৰা জিলাখনৰ বিভিন্ন পূজা মণ্ডপত ধৰ্মধ্বজা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। জিলাখনৰ শতাধিক পূজাথলীত এইবাৰ দেৱীক আৰাধনা কৰা হ'ব। **বাক্সা** জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী কুজিদেওৰ দেৱালয়ৰ লগতে বিভিন্ন স্থানত পূজাৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰ–

ভইচ

**ডিব্ৰুগড়** জিলাতো জুবিন গাৰ্গৰ বিয়োগে জনসাধাৰণৰ মন সেমেকা কৰি ৰাখিছে যদিও পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনাৰ মাজেৰে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনত স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্বকালৰ মোমাই তামুলী বৰবৰুৱাৰ পৃষ্ঠপোষকতাত আৰম্ভ হোৱা বকুলৰ দুৰ্গা পূজাভাগ পৰম্পৰাগতভাৱে পালন কৰিবলৈ লোৱা হৈছে। **বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজা আজিৰেপৰা পালন কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কালি নিশা জি এছ্ টিৰ সংস্কাৰ সন্দৰ্ভত প্ৰচাৰ কৰা এটা আলোচনাত অল ইণ্ডিয়া কেমিষ্ট আৰু ড্ৰাগিষ্টৰ সদস্য সঞ্জীৱ দেৱ চৌধুৰী আৰু ৰে'লৱে কো-অপাৰেটিভ কনজিউমাৰ ষ্টৰ লিমিটেডৰ সম্পাদক সুৰথ চৌধুৰীয়ে অংশগ্ৰহণ কৰি জি এছ্ টি হ্ৰাস সন্দৰ্ভত বিভিন্ন তথ্য প্ৰকাশ কৰে। আলোচক সঞ্জীৱ দেৱ চৌধুৰীয়ে কয়, যে জি এছ্ টি সংস্কাৰৰ পাছত কৰ্কট ৰোগৰ চিকিৎসাত ব্যৱহৃত ভালেমান ঔষধৰ জি এছ্ টি শূন্য শতাংশলৈ আৰু ফাৰ্মাচিউটিকেল ঔষধৰ ক্ষেত্ৰত ১৮ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস পাইছে।

বাইট (সঞ্জীৱ)

অনুষ্ঠানত সুৰথ চৌধুৰীয়ে জি এছ্ টি সংস্কাৰৰ পাছত শীতল পানীয়ৰ বাহিৰে দৈনন্দিন ব্যৱহাৰ্য বহুকেইবিধ সামগ্ৰীৰ জি এছ্ টি যথেষ্ট হ্ৰাস পোৱা বুলি প্ৰকাশ কৰে।

বাইট (সুৰথ চৌধুৰী)

এই অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আছিল আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

বিটিআৰ নিৰ্বাচনত নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰা বিপিএফ দলে আজি পৰিষদীয় চৰকাৰ গঠনৰ বাবে ৰাজ্যপালৰ ওচৰত দাবী উত্থাপন কৰিব। অহা তিনি অক্টোবৰত দলটোৱে শপত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে বড়োলেণ্ডৰ ৫ খন জিলাৰ ৪০টা পৰিষদীয় সমষ্টিৰ নিৰ্বাচনত বি পি এফ দলে ২৮ খন আসন দখলেৰে একক সংখ্যাগৰিষ্ঠ দল হিচাপে নিৰ্বাচিত হৈছে। এই নিৰ্বাচনত প্ৰমোদ বড়ো নেতৃত্বাধীন ইউ পি পি এল দলে মাত্ৰ ৭ খন আসনহে লাভ কৰিবলৈ সক্ষম হয়। শাসনাধিষ্ঠ বিজেপি দলেও কেৱল ৫ খন আসনহে লাভ কৰে। উল্লেখযোগ্য যে ফলাফল ঘোষণাৰ পাছতে কালি বিয়লিৰ ভাগত বড়োলেণ্ড গেষ্ট হাউচত বিপিএফ দলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক আজি সাক্ষাৎ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ পিছতে সাংবাদিকেৰে হোৱা কথা-বতৰাত বি পি এফৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে কয়, যে বিভিন্ন সম্প্ৰদায়ৰ লোকে বি পি এফ দলক সমৰ্থন কৰি আহিছে। ইউ পি পি এল দলে তেওঁলোকৰ প্ৰতিশ্ৰুতি ৰক্ষাত ব্যৰ্থ হোৱাৰ বাবেই বড়োলেণ্ডৰ জনতাই বিপিএফক আকোৱালি ল'লে। বিজেপিৰে সৈতে মিত্ৰতা সন্দৰ্ভত হাগ্ৰামা মহিলাৰীয়ে কয়, যে এতিয়ালৈকে মিত্ৰতাক লৈ বিজেপিৰ সৈতে আনুষ্ঠানিকভাৱে আলোচনা হোৱা নাই।

০০০০০০

ৰাজ্যত খালী হৈ থকা ভালেসংখ্যক শিক্ষক, স্বাস্থ্য বিভাগৰ কাৰিকৰী, অ-কাৰিকাৰী পদকে ধৰি বিভিন্ন পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল অহা অক্টোবৰৰ ভিতৰত ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণা অনুসৰি ৯ অক্টোবৰৰ ভিতৰত চৰকাৰে এই পদসমূহত নিযুক্তি দিয়াৰ বাবে সিদ্ধান্ত লৈছিল যদিও ৰাজ্যৰ শেহতীয়া পৰিস্থিতি আৰু উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপৰ বাবে নিযুক্তি প্ৰক্ৰিয়া কিছু পিছুৱাই দিবলগীয়া হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে এ ডি আৰ ইৰ তৃতীয় বৰ্গৰ পৰীক্ষাৰ ফলাফল ১০ অক্টোবৰত আৰু চতুৰ্থ বৰ্গৰ ফলাফল ১৫ অক্টোবৰত ঘোষণা কৰা হ'ব। স্বাস্থ্য বিভাগৰ কাৰিকৰী, অ-

কাৰিকাৰী পদসমূহৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ১২ অক্টোবৰৰ পূৰ্বে ঘোষণা কৰাৰ লগতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ১৫ৰ পৰা ২০ অক্টোবৰৰ ভিতৰত ঘোষণা কৰা হ'ব। স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ১৫ অক্টোবৰত ঘোষণা কৰা হ'ব। অগ্নিনিৰ্বাপক সংস্থাৰ বিভিন্ন পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল অক্টোবৰৰ ভিতৰতে দিয়া হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে। আনহাতে অহা ৭ অক্টোবৰত ৰাজ্যৰ ৩০ লাখ পৰিয়ালৰ বাবে অৰুণোদয়ৰ তৃতীয় সংস্কৰণ আৰম্ভ কৰা হ'ব বুলিও তেওঁ কয়। ৰাজ্যৰ চাৰে ৩ লাখ ছাত্ৰীক নিযুত মইনা আঁচনিৰ প্ৰথম কিস্তিৰ ধন ১০ৰ পৰা ১৫ অক্টোবৰত দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰিছে। আৰক্ষীৰ বিভিন্ন পদত নিযুক্তিৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে আৰোপ কৰা বাধাসমূহ নিষ্পত্তিৰ পাছত অক্টোবৰ মাহতে ফলাফলসমূহ ঘোষণা কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত আজি পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। এয়া হ'ব বিগত ৪১ বছৰত এছিয়া কাপ প্ৰতিযোগিতাৰ ইতিহাসত মুঠ ১৭ টা সংস্কৰণত ফাইনেলত প্ৰথমবাৰলৈ ভাৰত আৰু পাকিস্তানৰ মুখামুখি।

০০০০০০

## NEWS PAPER REV./RNU (28-09-2025) MRN.

বিটিআৰ নিৰ্বাচনত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফ দলে ২৮ খন আসনেৰে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন প্ৰধান বাতৰি কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতৰ বাতৰিটোৰ শিৰোনাম বিটিচিত পুনৰ হাগ্ৰামাৰাজ ঃ সাতখনতে থমকিল ইউ পি পি এল, বিজেপিয়ে পালে পাঁচখন।

আমাৰ অসম কাকতৰ বাতৰিৰ শিৰোনাম হাগ্ৰামা ধুমুহাত উৰিগ'ল ইউ পি পি এল, কংগ্ৰেছ ঃ আধালৈ নামিল বিজেপিৰ আসন। অসমীয়া প্ৰতিদিন কাকতে এই বাতৰিটোৰ লগতে বিপিএফৰ সৈতে আন দলৰ মিত্ৰতাৰ সম্পৰ্কে প্ৰস্তুত কৰা এটা বাতৰি গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম- কোনো দলেৰে মিত্ৰতা কৰি চৰকাৰ নচলায় বিপিএফে। বড়োলেণ্ডৰ নিৰ্বাচনী ফলাফলৰ বাতৰিটো দৈনিক অগ্ৰদূত, দ্যা ছেণ্টিনেল আৰু অসমীয়া খবৰ কাকতেও মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাক লৈ তদন্তকাৰী সংস্থাই কালি অভিনেত্ৰী নিশীতা গোস্বামী, কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীক ১০ ঘণ্টা জোৰা মাৰাথন জেৰা চলায়। এই বাতৰিটো দৈনিক জনমভূমি কাকেত শেখৰজ্যোতি, নিশীতা, অমৃতপ্ৰভাক জেৰা চি আই ডিৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

নামনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বিতৰ্ক অব্যাহত থকাৰ মাজতে কেন্দ্ৰীয় চৰকাৰে উজনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বাবে অনুমোদন জনাইছে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম আন এক জলবোমা, অসমক শলঠেকত পেলাই কেন্দ্ৰৰ ভয়ংকৰ সিদ্ধান্ত ঃ উজনি সোৱনশিৰি বান্ধত অনুমোদন।

দি আছাম ট্ৰিবিউন কাকতে জুবিন গাৰ্গৰ মৃত্যুক লৈ শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মালৈ লুকআউট নটিচ প্ৰেৰণ কৰা বাতৰিটো প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

দুধনৈৰ কৃষক হৰকান্ত বসুমতাৰীয়ে ধান বিক্ৰী কৰি বছৰেকত প্ৰায় ৫০ কোটি টকা উপাৰ্জন কৰিছে। কৃষক গৰাকীয়ে উৎপাদিত ধান বিদেশলৈও ৰপ্তানি কৰে। এই বাতৰিটো দৈনিক অসম কাকতে ধান বিক্ৰীৰে বছৰি ৫০ কোটি উপাৰ্জন ঃ এইবাৰৰ লক্ষ্য ২০০ কোটি টকা, ইউৰোপলৈ পঠিয়াব কলা জহা ধান শিৰোনামেৰে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী চেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী চেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা, মেঘালয় আৰু মিজোৰামত মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইফালে অসমৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত